

₹ ৩০.০০

সাতসৰী

সপ্তদশ বছৰ, তৃতীয় সংখ্যা • অক্টোবৰ, ২০২১

SATSA

Vol. No.: 17, Issue No. 3 • October, 2021 • Pages :

Reg. No. : ASSASS/2011/35

ISSN: 2319-8893 • Rs.30

## লেটিন আমেৰিকাৰ এমুঠি গল্প

মূল : গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজ, অনুবাদ : বিজিত বৰঠাকুৰ • তন্দ্ৰালসা গাভৰু আৰু বিমান •

মূল : ক্লেৰিচ লিস্পেক্টৰ, অনুবাদ : ড° মামণি গগৈ বৰগোহাঁই • গণিত অধ্যাপকৰ অপৰাধ •

মূল : ৰবাৰ্টো বোলানো, অনুবাদ : মীৰা গোস্বামী • ওভতনি • ২৮

মূল : হুমাস্থা স্বেবলিন, অনুবাদ : ড° দীপশিখা ভাগৱতী • মাউথফুল অব্ বাৰ্ডছ • ৩৫

মূল : বৰ্হিলিউ পিনেৰা, অনুবাদ : ড° স্বাতী কিৰণ • মাংস • ৪০

মূল : বৰ্হে লুইচ বৰ্হেছ, অনুবাদ : বিজিত বৰঠাকুৰ • তৰোৱালৰ গড় • ৪২

## প্ৰবন্ধ নিবন্ধ

বিনয় মোহন শইকীয়া • মেৰিঅ' ভাৰ্গেছ লোছা আৰু গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজ প্ৰসংগ • ৪৬

ৰতিমোহন নাথ • ভূপেন্দ্ৰ-সাহিত্যত শৰৎ আৰু শাৰদীয় উৎসৱ • ৪৯

ড° বিৰিঞ্চি কুমাৰ দাস • শৰৎ আৰু সাহিত্য • ৫৫

দিগন্ত ওজা • হাজাৰ মানুহৰ আশা • ৫৯

ড° নৱমী গগৈ • জেহিৰুল হুছেইনৰ 'চোবাত বেজৰ চ'ৰা'ৰ ব্যংগাত্মক দিশ • ৬৫

ড° দিলীপ ৰাজবংশী • সদাগৰ ভোলানাথ বৰুৱা আৰু অসমীয়া ভাষা-সাহিত্যৰ উন্নয়ন • ৬৮

## গল্প

চন্দনা পাঠক • পিঁয়াজ-পুৰাণ • ৭৪

মনোজ কুমাৰ দেওৰজা • সদ্ভাৱনা • ৭৮

ড° জ্যোতিপ্ৰসাদ শইকীয়া • ব'দৰ ৰং • ৮২

নৱজিৎ চেলেং • জেঠীটোৰ নেজডাল কেনেকে ছিগিল? • ৮৭

বিৰিণা গোস্বামী • যক্ষগানৰ ৰং • ৯১

নিক্কু নিশা নেওগ • নীলবৰ্ণী জুই একুৰাত • ৯৪

## ভ্ৰমণ

সৌম্যদ্বীপ দত্ত • বন্যতাৰে আৱৰা ৰায়মনা ৰাষ্ট্ৰীয় উদ্যান • ১০৬



## বৰ্ণালী

ৰবেন্দ্ৰ কুমাৰ দাস • তৰণি নোপোৱা তৰণীসকল • ১৫
অপৰাজিতা নহকৰ • ইন্দিৰা ভূঞা : মৃন্ময়ী যাৰ সৰ্বকল্যাণ • ১৭

## চলচ্চিত্ৰ/নাটক/কলাংগন

লোপা দাস • পাতিদৰঙৰ 'জাগৰ' • ১১০

## কবিতা

অনুভৱ তুলসী, ৰাজীৱ বৰুৱা, প্ৰকল্প ৰঞ্জন ভাগৱতী • ৯৯
কৌশিক কিশলয় • ১০০
সৌৰভ শইকীয়া, প্ৰতীম বৰুৱা • ১০১
ৰুদ্ৰ সিংহ মটক, ধ্ৰুৱকুমাৰ তালুকদাৰ • ১০২
যাবয়ান জাবেদ, প্ৰণয় ফুকন • ১০৩
নিবেদন দাস পাটোৱাৰী, ইকৰামীম গায়ন • ১০৪
বিভাৱৰী তালুকদাৰ, জয়জিৎ ডেকা • ১০৫



## গ্ৰন্থজগত

শিতানী শইকীয়া • [illegible] • ১১৭
ড° মনিষা ডেকা • [illegible] • ১২১
অপু ভৰদ্বাজ • [illegible] • ১২৪

## পঢ়া পুনৰ পঠন

ড° তনয় জ্যোতি দুৱৰা • [illegible] • ১২৫






# গ্ৰন্থ জগত


# ুঃসময়ৰ মেঘে আচ্ছন্ন কৰি ৰখা কবিতাবোৰ

গীতালী শইকীয়া

একাত্ম আৰু গুৰুত্বসহকাৰে দীৰ্ঘদিন ধৰি কবিতাচৰ্চা অব্যাহত ৰখাসকলৰ ভিতৰত মনোজ বৰপূজাৰী অন্যতম। ইতিমধ্যে চাৰিটা কাব্যসংকলন (২০০৩ চনৰ মুনীন বৰকটকী বঁটাপ্ৰাপ্ত *আমলখি গছৰ সুগন্ধি, মোৰ এই প্ৰাচীন সতীৰ্থ, সৌৰৱণিৰ জেতুলিপকা, নিজকে ভাঙি-পাতি*) প্ৰকাশ হোৱা কবি বৰপূজাৰীৰ *আলিকেঁকুৰিৰ মেঘ* (২০২০) পঞ্চমটো কাব্যসংকলন। নতুন কাব্যসংকলনটোত আংগিক, কথাবস্তু আৰু ৰূপকল্পৰ ক্ষেত্ৰত কবিৰ সম্পৰীক্ষা মন কৰিবলগীয়া। কবিয়ে কঠিন সময়ৰ কৰ্কশতাত গঢ় লোৱা সমকালীন সমাজৰ সূক্ষ্ম পৰ্যবেক্ষণেৰে কিছু পৃষ্ঠা কবিতাৰ ৰূপত লিখি উলিয়াইছে।



*আলিকেঁকুৰিৰ মেঘৰ* কবিতাসমূহত পোনছাটেই দৃষ্টিগোচৰ হোৱা কথাকেইটা হ'ল ভাষাৰ স্বকীয়তা আৰু চিত্ৰকল্প, উপমাকে আদি কৰি অৰ্থালংকাৰৰ বিশিষ্টতা, ভাববস্তু আৰু কথাবস্তুৰ বৌদ্ধিক উপস্থাপন, অনুভূতিৰ সংযত আৰু বৌদ্ধিক ৰূপায়ণ। নৈৰ্ব্যক্তিকতা কবিতাসমূহৰ আত্মা। কবি-সমালোচক টি. এছ. এলিয়টে কোৱা আৱেগৰ বিচ্ছিন্নকৰণ বৰপূজাৰীৰ কাব্যকুশলতাৰ অন্য এক বৈশিষ্ট্য। তেওঁৰ কাব্যনিৰ্মাণৰো ই এটা পৰ্যায় (phase)। ব্যক্তিগত অভিজ্ঞতাক সামূহিক অভিজ্ঞতালৈ ৰূপান্তৰ (depersonalization)ৰ জৰিয়তে কবিসত্তাই নৈৰ্ব্যক্তিকতাৰ পৰিমিতি লাভ কৰিছে। বিষয়বস্তুৰ ফালৰ পৰা সংকলনটোৰ সৰহসংখ্যক কবিতাই ৰাজনৈতিক কবিতা (political poetry)। অন্যান্য কেইটিমান কবিতাত প্ৰকৃতিৰ লগত কবিসত্তাৰ নিবিড় একাত্মতাৰ মাজেৰে মানুহ আৰু প্ৰকৃতিৰ নৈকট্য, নাৰী-পুৰুষৰ প্ৰেম, সুবিমল আনন্দ, একাকিত্ব, দুখ আৰু হতাশাৰ অভিনৱ কাব্যিক চিত্ৰণ দেখা যায়। দেশে দেশে বৃদ্ধি পাই অহা দ্বন্দ্ব, বিৰোধ, যুদ্ধ, স্বৈৰতন্ত্ৰী শাসকৰ অমানৱীয়তা, বিপ্লৱীৰ প্ৰতিবিপ্লৱী স্বৰূপ, হিংসা-প্ৰতিহিংসা, কোৰোনাকালৰ জটিল সন্ধিক্ষণৰ পৰিবেশে সৃষ্টি কৰা দুখজৰ্জৰ মানুহৰ হাহাকাৰভৰা জীৱন-পৰিক্ৰমাই কবিপ্ৰাণত তোলা বিষাদভৰা জোকাৰণি, প্ৰচাৰৰ জালিকাই সৃষ্টি কৰা উত্তৰ-সত্য আদি বিভিন্ন কথাৰ প্ৰতি সৃষ্টি হোৱা প্ৰতিক্ৰিয়াই সংবেদনশীল, সমাজ-সচেতন কবিপ্ৰাণত অশান্তি, ক্ষোভ, উদ্বেগ, চিন্তা, শংকাৰ ধ্বনি তুলিছে— যাৰ প্ৰতিধ্বনি উঠিছে কবিতাৰ শব্দত, পংক্তিবোৰত। যিবিলাক ঘটনা বা পৰিবেশৰ আলম লৈ কবিয়ে মনৰ আৱেগ, বেদনা-ক্ষোভ, লগতে শ্লেষমিশ্ৰিত ভাষাৰে প্ৰতিক্ৰিয়া, প্ৰতিবাদ প্ৰকাশ কৰিছে, তেনে কিছু ঘটনা আৰু পৰিবেশ অতিসাম্প্ৰতিক। শ্ৰমিক তথা নিম্ন মধ্যবিত্ত মানুহে ভোগা দুৰ্ভোগ— কোলাত কেঁচুৱা লৈ শ-হাজাৰ মাইল অনাহাৰে-অনিদ্ৰাই খোজকাঢ়ি কৰা ঘৰমুখী যাত্ৰা, ৰাস্তাতে সন্তান প্ৰসৱ কৰি পুনৰ যাত্ৰা আৰম্ভ কৰা আদি ঘটনা-পৰিবেশবোৰ কবিয়ে 'অব্জেক্টিভ ক'ৰিলেটিভ' (objective correlative) হিচাপেই নিজস্বভাৱে চিত্ৰকল্পৰ



*আলিকেঁকুৰিৰ মেঘ/*
*মনোজ বৰপূজাৰী/ব্ৰহ্মপুত্ৰ বুকছ এণ্ড পাব্লিকেশ্যনছ/ ₹ ১০০*

ৰূপ দিছে। কবিতাগুচ্ছত অনুভূত দুখ-যন্ত্ৰণা, বাধা-বেদনা, মানুহৰ বাবে সৃষ্টি হোৱা কাতৰ ভাৱনা মাত্ৰকে এখনি বৃত্তৰ দৰে সমৃদ্ধ। অন্তৰ্দৃষ্টি আৰু বহিৰ্দৃষ্টিৰ সমতুলতাত উদ্ভৱ হোৱা কবিৰ ব্যথা-বেদনাত স্পষ্ট হৈ উঠিছে সামূহিক হাহাকাৰৰে অভিব্যক্তি—

হে শাস্ত্ৰ চিৰকাল মৰ্যাদি মাটো তেজ ভবিৰ তলুৱা
কঁকাল ভাঙি নিয়ে টাঙোনতকৈ টান এই সময়ৰ কোবে।
গৈ আছো নেকি এটা অনুশোচনাৰ যুগ এবি যে আন
এটালৈ।
কিন্তু যাবতো লাগিবই।

*আলিকেঁকুৰিৰ মেঘ*ৰ কবিতাসমূহ বহুমাত্ৰিক; একোটা কবিতা, একোটা চিত্ৰকল্প, একোটা মেটাফৰতে কবিয়ে গাঁথি দিছে কেইবাতৰপীয়া ব্যঞ্জনা (multi-layered significance)। উদাহৰণস্বৰূপে, 'মাৰীচেই তেন্তে' নামৰ কবিতাটো ভাৰতীয় আখ্যানৰ এটি ঘটনা আৰু দুটা চৰিত্ৰ লৈ চুটি-দীঘল পংক্তিৰে নিৰ্মিত বত্ৰিশটা চৰণৰ এটা দীঘল কবিতা। সমকালীন সময়, সমাজ-বাস্তৱতাৰ ভিন্ন দৃশ্য, প্ৰসংগ ইয়াত ইংগিতধৰ্মিতাৰে ৰূপায়ণ কৰা হৈছে। সোণৰ হৰিণৰ ৰূপ ধৰি সীতাক (শেষত ৰামকো) ছলনা কৰা মাৰীচ নামৰ অসুৰটো ভাৰতীয় জনমানসত সদায় ছলনাৰে প্ৰতীক। কৌশলেৰে ভ্ৰম সৃষ্টি কৰি ভ্ৰমকে সত্য বুলি পতিয়ন নিয়াব পাৰে মাৰীচধৰ্মী মানুহে। কবিতাটোত মানুহৰ যুদ্ধপ্ৰৱণতা, সীমান্তক লৈ টনাটনি, হনা-খোঁচা, নৃশংসতা, আৰু ইতিমধ্যে ঘটি যোৱা বিভিন্ন প্ৰসংগ-সঞ্জাত উপলব্ধিৰ ৰূপকাত্মক ৰূপায়ণ চিন্তা-উদ্ৰেককাৰী। 'বাৰ্লিন ওৱাল'ৰ মেটাফৰে বিশ্ব প্ৰেক্ষাপটত ঘটা বিচ্ছিন্নতা আৰু বিভাজনকামিতাৰ দ্যোতনা হৈ কবিৰ মনোজগতৰ ভয়-আশংকাৰ অভিব্যক্তিৰ লগতে এখন সুখে-শান্তিৰে ভৰা, ছলনাহীন সহজ-সৰল নিষ্কলুষ পৃথিৱীৰ বাবে কৰা নীৰৱ প্ৰাৰ্থনাও ধ্বনিত হৈছে। কবিতাটোৰ ভাষা ভাৱসঞ্চাৰী—

দূৰ অতীতৰ সাধু শুনি/নিশ্চিন্তে টোপনি যোৱা দিন নাই, আৰু
তেনে ৰাতিও নাহে।/... /জগতৰ ধেৰা— সহি থকাটো টান।

অতীতৰ যুদ্ধপিপাসু, ৰক্তপিপাসু মন-মেজাজ, জিঘাংসু মনোবৃত্তি, ধৰ্মৰ আফিংৰূপী নিচা অতি-আধুনিক, অতি-বৈজ্ঞানিক বুলি ফিতাহি মৰা যুগতো অৱসান নহ'ল। বৰঞ্চ ততোধিক প্ৰকট ৰূপত আহি উপস্থিত হ'ল অভূতপূৰ্ব সংকট। স্বাধীনতা, অধিকাৰ খৰ্ব কৰা হৈছে। কেৱল 'নক'বা, নিলিখিবা'! এনেবিলাক কথাই বৰপূজাৰীৰ কবিতাৰ নিৰ্মাণতো প্ৰভাৱ পেলাইছে। ভাষাৰ নিৰ্মাণ, শব্দচয়ন, আংগিক সৰলবৈখিক নহৈ প্ৰায়ে বক্ৰ আৰু বহুমুখী হোৱা দেখা গৈছে। প্ৰতিবাদৰ সুৰ আৰু ভাষা অগ্নিবৰ্ষী নহৈও সবল, শক্তিশালী। অসমীয়া বাস্তৱবাদী ধাৰাৰ, উত্তৰ-ৰমন্যাসিক কবিকুলৰ ভাষাৰ তুলনাত কবি বৰপূজাৰীৰ প্ৰতিবাদী কবিতা কোমল শব্দচয়ন, ব্যঞ্জনা আৰু শ্লেষৰ সমাহাৰত নিৰ্মিত হৈছে। ক'তো কাব্যিকতা নষ্ট হোৱা নাই। বৰঞ্চ কাব্যৰসিকসকল কাব্যৰ ৰস আস্বাদন কৰাৰ লগতে কবিৰ ৰাজনৈতিক দৰ্শন, জীৱনবিষয়ক, জগতবিষয়ক গভীৰ চিন্তা-দৰ্শনৰ লগতো পৰিচিত হৈছে, আৰু এইফালৰ পৰা তেওঁৰ কবিতাৰ সুৰটো নতুনত্ববাহী।

যোৱা শতাব্দীত কবিসকলক কোৱা হৈছিল Vates, অৰ্থাৎ প্ৰফেট (Prophet)। কবিসকল ভৱিষ্যদ্ৰষ্টা। 'মাৰীচেই তেন্তে' কবিতাটোত 'কবিসকল' বুলি উল্লেখ কৰা এইসকল ভৱিষ্যদ্ৰষ্টাৰ সাৱধানবাণীলৈ কৰ্ণপাত নকৰা মানুহ আজি নিজেই বিপদগ্ৰস্ত। সংকট মোচনৰ বাস্তৱিক উপায় তেন্তে কি? 'কবিসকলে' দেখুৱাইছে এটা মাৰ্গ—

কবিসকলে ঠিকেই কৈছিল/তোল নামাবি ঐ
তোল নামাবি।/দেখিলেও সকলোৱে
জানকীয়ে তেলেঙী, শৰপথ নহয়।
শুনিলেও নুশুনিলে/মাৰীচৰ বিকট চিঞৰ— আৰু
ঘানি ভাঙিও নোসোৱে/অৰুণি আকাশ।

চাৰিওফালে নিছা প্ৰতিশ্ৰুতিৰ বিজ্ঞাপন, ঠগ-প্ৰৱঞ্চনা, ছলাহীকথীয়াৰ আধিপত্যত সোপসেৰীয়া সংস্কৃতিৰ বিস্তৃতি। বাঢ়ি আহিছে সাংস্কৃতিক সাম্ৰাজ্যবাদ, পৰিৱেশতান্ত্ৰিক সাম্ৰাজ্যবাদ (Ecological Imperialism)। কবিৰ শংকা তিনিটা চুটি চুটি পংক্তিত ঘনীভূত হৈছে ইংগিতৰ ৰূপত :

এদিন হেৰাই যাব নেকি আইৰ আঁচলৰ গোন্ধ
মাৰ দিয়া চাদৰৰ ভাপ,
আইৰ মুখৰ ভাষা।

'মাৰীচেই তেন্তে' কবিতাটোৰে এই তিনিটা চৰণত যি শংকা ফুটি উঠিছে সি যেন বহন কৰিছে সাম্প্ৰতিক ঘটনাপ্ৰবাহত নিস্বন হৈ অসমৰ একৰাকী সমস্যা কবিয়ে কেনেদাৰ সন্মুখত উঠুপি উঠা দৃশ্যৰ ঘনীভূত ভাৱৰূপ।

কবিতাসমূহত বিচাৰি পোৱা যায় এখন বৃহৎ কেনভাছ। ঘৰুৱা, আঞ্চলিক প্ৰসংগ, ৰাষ্ট্ৰীয় প্ৰসংগৰ লগতে বিশ্ব প্ৰেক্ষাপটত ভুমুকি মাৰি, আকাশ-মহাকাশ, স্বৰ্গ-নৰকৰো বিভিন্ন চিত্ৰৰে ভাৱ-অনুভৱ, উপলব্ধিৰ অভিনিৱেশ কৰোঁতাত কবি বৰপূজাৰী সিদ্ধহস্ত। অমিল অনুষংগক একেলগ কৰি উৎপ্ৰেক্ষা নিৰ্মাণ (এলিয়টৰ ভাষাত amalgamation of disparate experiences) কবিৰ কাব্যকুশলতা তথা চিত্ৰকল্পৰ স্বকীয়তাৰ চিনাকক—

প্ৰতীক্ষাৰ কেইঘণ্টামান ইমান ফুল ফুলিছিল
সেহি, জকমক গেলেৰী আকাশনীলা স্টেডিয়াম
টেলিভিশনৰ পৰ্দাত/সংগোষ্ঠীৰ পৰা কাননাই মৰণী যোৱা
ঘাটলৈ
মংগলবাদ্য উৰুলি/যেন দিগ্বিজয়ৰ বাবে অশ্বমেধৰ
ইলেক্ট্ৰনিক
ঘোঁৰাটো
ঢেঁকুৰিছে হস্তিনাপুৰৰ পৰা

খণ্ড খণ্ড কাহিনীৰ ৰূপায়ণত ভুমুকি মাৰিছে ভাৰতীয় আৰু গ্ৰীক আখ্যান, বুৰঞ্জীৰ বিভিন্ন চৰিত্ৰই। পুৰণি চৰিত্ৰক আধুনিক প্ৰেক্ষাপটত বিচাৰ কৰি চাইছে কবিয়ে— যাৰ নিৰ্মাণকাৰী শক্তিৰ নোৱাৰে কেনেকৈ অশান্তি-অসূয়া বাৰে বাৰে উভতি আহে।

তেন্তে কেনেকৈ নৰকৰ পৰা উভতি আহিব মানুহে/কোনৰ সূত্ৰবোৰে তৰ্কিবই নোৱাৰিলে/কেতেবা কেৰেঁকাৰ—।

উল্লেখযোগ্য যে কেৰেঁকাহ গ্ৰীক আখ্যানত নৰকৰ দুৱাৰখীয়া তিনিমূৰীয়া এটা দৈত্যাকাৰ কুকুৰ। দুৰ্জন হৈ আছে ধনতান্ত্ৰিক পৰম্পৰা, পুঁজিবাদৰ বেদ আদি বিধ্বংসী হৈ আছে শাসনতন্ত্ৰ,

...কেশী স্বৈৰতন্ত্ৰৰ বৃদ্ধি অহা শিপাই কবিৰ প্ৰাণত আশংকা আৰু ...থাৰ সৃষ্টি কৰিছে। এই কবিতাকেইটাত মিশ্ৰিত হৈ আছে শ্লেষ (Irony), ব্যংগ (Satire)। লগতে আছে তিৰ্যক সমালোচনা—

"মেক্স ফিক্সিং মেচ ফিক্সিং/দেদাউৰি পাৰিলেও বোধ কৰাৰ সাধ্য নহ'ল ভগৱানৰো/অথলে যায় প্ৰতীক্ষা অথলে প্ৰি-প'ল এক্সিট-প'ল/কোৱোণাৱে কোনে কি চপালে"

"দেশপ্ৰেম ফটুৱামি/মিডিয়াৰ গা সাতখন আঠখন/হেৰ' নিৰ্বোধ দৰ্শক"

কিছু ব্যংগ আৰু শ্লেষমিশ্ৰিত এই শব্দৰাশিয়ে কবিক এজন সামাজিক সমালোচকলৈ উন্নীত কৰিছে, তেওঁৰ ভাব-ভাষাই কাকো ৰেহাই দিয়া নাই—

হেৰ্ঝালি কিমান/তল গ'ল বৈতৰণীত তোৰ হিচাপ-নিকাচ সমুদায়

অবোধ ভোটাৰ হেৰ'/জবৌবৌৱা তোৰ টেকেলি কাটি।

সুবিধাবাদীয়ে চাৰিওফালে পেলোৱা জালখন, শ্বেয়াৰ বজাৰৰ গ্ৰাফ বা ৰেখা, সাপৰ দৰেই ভয়ানক বুজাবলৈ শ্বেয়াৰ বজাৰৰ ৰেখা 'বগাই যোৱা'ৰ উৎপ্ৰেক্ষা আনিছে কবিয়ে। চাৰিওফালে 'মিথ্যাচাৰৰ টেৰাবাইট'। 'মিএগ্ৰ দলিত আদিবাসী বুদ্ধিজীৱী'— এই শ্ৰেণীবিভাজনবোৰো প্ৰকৃতাৰ্থত একো একোটা চতুৰভাৱে ৰচনা কৰা কৌশলী হাতিয়াৰৰ বাদে আন একো নহয়। অথচ এইবিলাকৰ বিৰুদ্ধে মাত মতাও বন্ধ কৰি দিয়া হৈছে— নিৰ্মল নদী, মুক্ত আকাশ, সূৰ্য-সপোনৰ ঠাই ক'ত? প্ৰশ্নৰ আকাৰত কবিয়ে আক্ষেপৰ লগতে শ্লেষৰ সুৰত সত্যৰ মুখামুখি কৰাইছে পঢ়ুৱৈক—

নাই নাই একোৱেতো নাই

ক্ষমা প্ৰাৰ্থনীয় হে সত্যৰ ধূলিকণা।

কবিতাবোৰত স্বৈৰতন্ত্ৰী শাসকৰ বিৰুদ্ধে একো একোটা ধাৰাল উত্তৰ আৰু প্ৰত্যুত্তৰ। কবিৰ অনুভূতিৰ গভীৰতাই পঢ়ুৱৈৰ হৃদয়বেত্তাক চুই যায়—

তোমালোকে যি সুৰ জপ কৰিছা/আমাৰ কণ্ঠত জাপি দিছা

আমিও যদি সাধিব পাৰোঁ— আচলতে নোৱাৰোঁ

চাবা কি অ-সুৰ হৈ কাঢ়িবলৈ চাব তোমালোকৰ চং...

কাণ তাল মাৰি যোৱাকৈ/তোমালোকে কৈয়ে থাকা

কৈয়ে

আছা

কবিতা লিখাটো দণ্ডনীয়/দুখ এতিয়া অক্ষমণীয়।

কিন্তু এই দুখ ভুক্তভোগীৰ হোজা আক্ষেপ নহয়, বৰঞ্চ দুখ-যাতনাৰ বাবে যি জগৰীয়া তেওঁকো তিৰ্যক ভংগীত চিনাক্ত কৰিব খোজে— সেই চিনাক্তকৰণ পৰিচিত বাক্‌ভংগীৰে লোক-ঐতিহ্য-চেতনাৰেহে সম্পাদিত— "এটা সিদ্ধ নহয়, লোক-ঐতিহ্য-চেতনাৰেহে সম্পাদিত— "এটা ...

সাতামপুৰুষীয়া দুখ/বাঢ়িবলৈ থৈ গ'লা তেজীমলা পুলিটোৰ দৰে।"

'বাতুল বেলা' শিৰোনামেৰে নটা কবিতাৰ এটা খুল কাব্যসংকলনটোত সন্নিবিষ্ট হৈছে। কবিতাসমূহ বেলেগ বেলেগ অনুষংগৰ, অথচ মটিফ (motif) একেটাই। খুলটোৰ প্ৰতিটো কবিতাই ক'ভিডকালৰ সংকটময় আৰু পৰিস্থিতিৰ কিছু খণ্ডচিত্ৰ অংকন কৰিছে। প্ৰকৃততে কবিতাকেইটাই ক'ভিড সময়াৰ এক সামগ্ৰিক ছবি দাঙি ধৰিছে। দুঃসময়ৰ অভিজ্ঞতা, দুৰ্দশাগ্ৰস্ত পীড়িতৰ যন্ত্ৰণা, সুবিধাবাদী আৰু ভোগীৰ স্বৰূপ প্ৰকাশৰ বাবে 'মেটামৰফ'ছিছ' নামৰ কবিতাটোৰ আংগিকে আশ্ৰয় কৰি লৈছে আচহুৱাকৰণ (defamiliarization)ক মানুহৰ শামুকলৈ হোৱা ৰূপান্তৰ।—

'শামুক'ৰ মেটাফৰে এই শৰীৰ পৰিৱৰ্তনৰ অন্তৰালৰ

ঘটনাবো ইংগিত দিছে—

দীঘল বাটত যেতিয়া চকুলো আৰু তেজ সৰে,/

চিঞৰটো,

কান্দোনটো কেৱল নিজৰ

বিজলুৱাবোৰ উলিয়াই/গৈ থাকোতে/নিজকে নৈতিক

শামুক

যেন লাগে।

নিম্নবৰ্গীয় অধ্যয়ন (subaltern studies)ৰ অন্তৰ্গত বুলি সহজে বিবেচনা কৰিব পৰা 'শামুক' কবিতাটোৱে মানুহৰ, ইতিহাসৰ ক্ষীণ স্বৰ ('small voice of history') সাৰ্থকভাৱে ধ্বনিত কৰিছে। প্ৰান্তীয় মানুহ বা নিম্নবৰ্গীয় মানুহ আধিপত্যবাদী ক্ষমতাশালী (ভোগী) মানুহৰ দ্বাৰা সদায়ে নিপীড়িত, শোষিত আৰু বঞ্চিত। তেওঁলোকৰ দুখ-বেদনা, তেওঁলোকৰ কথালৈ কাণ দিওঁতা নাই; তেওঁলোকৰ জীৱনক লৈ কাৰো মূৰ ঘমাবৰো প্ৰয়োজন নাই। এই শ্ৰমিক/প্ৰান্তীয় ব্যক্তিসকলৰ লগত একাত্মতা অনুভৱ কৰা কবিপ্ৰাণৰ ব্যথাৰ অনুৰণন গভীৰ আৰু মৰ্মস্পৰ্শী ঃ

মিছাতে হামৰাও নাকাঢ়ো দেউ/আমাৰ মাত নুশুনিলে বুলি/শামুকৰ মাতহে/শুনিব কেনেকৈ!!

ভুল কৰিলেও কেতিয়াও অনুতাপত দগ্ধ নোহোৱা আজিৰ শাসকবৰ্গ, ক্ষমতাত অন্ধ মানুহ। সম্ৰাট অশোক সদৰ্থক পৰিৱৰ্তনৰ প্ৰতীক, ৰক্তপাতৰ পাছত যি হৈ পৰিছিল ঋষি। এতিয়া তেনে পৰিৱৰ্তনৰ আশাও দুৰূহ— কোনো ৰক্তপাতে শাসকৰ মন নোকোমলায়। এই প্ৰসংগতে তেওঁ ছফ'কলছৰ নাটক 'ঈদিপাছ ৰেক্স'ৰ কথাও স্মৰণ কৰিছে ঃ প্লেগৰ সংহাৰলীলাৰ বাবে তেওঁ থীবছ নগৰবাসীৰ ওচৰত ক্ষমাপ্ৰাৰ্থনা কৰে, কিন্তু তেনে মহানুভৱতাও যেন আজি প্ৰাচীন, যি কেৱল স্মৃতি, আধুনিক শাসকৰ বাবে অচিনাকি। সেয়েহে আক্ষেপৰ সুৰতে কবিয়ে কৈছে— "অনুতপ্ত অশোক বুৰঞ্জীৰ পাততে থাকিল/অনুতপ্ত ঈদিপাছ ৰেক্স নাটৰ ৰহঘৰাত ৰ'ল।"

ভাৰতৰ ঐতিহ্য, গৰিমা, অসমৰ লোকপৰম্পৰা, চহকী ঐতিহ্যৰ পৰা বিচ্ছিন্ন হৈ টৌত উটি যাব বিচৰা 'কংকালত টঙালি' নথকা জাক জাক মানুহৰ উন্নাসিকতাকো কটাক্ষ কৰিছে অতিশয় কাব্যিক ভাষাৰে 'মেঘ-মালিতা' নামৰ এক নাতিদীৰ্ঘ কবিতাত। কবিতাটোৰ ভাৱত মাটিৰ সুবাস, ভাষাও লোকভাষাৰ গোন্ধেৰে মধুৰ—

"মোৰো যে আছে এটা দেহলাও, বন লতিকাৰ/পাতল গোন্ধত/ৰঙক দেহি, মেঘৰ মাদলে কলিজা নৰ্তপায় মানে/মোৰ টানে-আপনে সেয়াই এখানি হান্দুক।"

সংকলনটোৰ আন এটা চকুত পৰা দিশ হ'ল— ভালেকেইটা কবিতাত প্ৰকৃতিৰ স্বৰূপ, প্ৰকৃতি আৰু মানুহৰ চিৰন্তন সম্পৰ্ক ... অতিমাৰ ৰূপত প্ৰতিফলিত হৈছে। চিত্ৰকল্পৰ সজীৱ ৰূপায়ণ, ...

জনজীৱন লোকাচাৰ সংস্কৃতি, লোকজীৱিকা, লোকবিশ্বাসৰ মাধুৰ্যৰে স্পন্দিত। এই কবিতাসমূহ পৰিৱেশ অধ্যয়ন আৰু পৰিৱেশ-নাৰীবাদৰ পৰিপ্ৰেক্ষিতত আলোচনাৰ যথেষ্ট থল আছে। নাৰীবাদী চিন্তাবিদ বন্দনা শিৱাই *Staying Alive* গ্ৰন্থত সভ্যতাৰ প্ৰক্ৰিয়াটোক পিতৃতান্ত্ৰিক বুলি কৈছে। অৰণ্য বাবলা বনত, টেমকুৰাৰ জুইৰ জ্যোতিষীয়া, জিঞিং পাটকাই (ই এক প্ৰতীক মাথোঁ)ৰ ওপৰত চলা অত্যাচাৰৰ প্ৰকাশ পৰিৱেশ-নাৰীবাদী চিন্তাৰ এবেৰ চপা— "সঁচাৰ বাহিৰে আন একো নিচিনিলে নিৰাহ/অন্যথা কি ব্যৱহাৰ"— ('সুৰ্বৰ আপদকলত')।

'ডাৱৰ আৰু নদী' আৰু 'অবিস্মৃত' ('কন্যাৰ জন্মাই') আন দুটি কবিতা, য'ত পৰিৱেশৰ অনুষংগই চিত্ৰকল্প, উৎপ্ৰেক্ষা, উপমাৰ আধাৰ। মাতৃ ধৰিত্ৰী, নদী, পথাৰ, মাটি, বায়ু, পানী, গছ, আকাশৰ প্ৰতি কৃতজ্ঞতা জনোৱাৰ লোক-পৰম্পৰা— আইদেউসকলেই কবিতাকেইটাৰ উপজীব্য ('যেতিয়া আবেগত আপুনি কান্দিছিল নকৰে শইচৰ বেঢ়ীলৈ এবাৰ')। পাৰিপাৰ্শ্বিকতাক উত্তাসিত কৰি তোলা এই কবিতাকেইটাক পৰিৱেশ-কবিতা (Ecopoetry)ৰ মৰ্যাদা দিব পাৰি ।

অনুপম শব্দচয়ন ('শপত মাধুৰী', 'সৱেই যে শৰীৰী, মূলতো অশৰীৰী একো নাই', 'ডাৱৰ খোজে জনাই/আহে এটা শোক সম্বল') কবিতাসমূহৰ মুখ্য আকৰ্ষণ। ঠায়ে ঠায়ে গুণবাচক বিশেষ্য (Abstract noun)ৰ ব্যৱহাৰ মন কৰিবলগীয়া। যথা ঃ 'ফুটা কপালেৰে মুদ্ৰাবোৰ সৰকি তেনেই উদং' ('নেটানবৰক ছিৰি')। ইয়াত ফুটা কপাল অৰ্থাৎ দুৰ্ভাগ্যক আৰ্থিক বিষয়ৰ লগত সংযোজিত কৰি এটা বিৰল পৰিস্থিতিৰ ইংগিত দিয়া হৈছে।

প্ৰেমবিষয়ক কবিতা এটাত ব্যৱহৃত উৎপ্ৰেক্ষা কবিৰ কাব্যকুশলতাৰ অভিজ্ঞান—

"প্ৰাচীন শিলাবোৰে প্ৰতিয়াহে বাই সনাইছে/তুমি মোৰ সপ্তলোকৰ শিলৰ দুৱাৰো দুফালকৈ খুলিলা/.../কিদমত চেঁকুৰি সন্তৰ্পণে আমাক প্ৰদক্ষিণ কৰে আগুৰি ধৰে/আমাৰ দেহলৈ সোমাই আহে।"

কবিয়ে ইন্দ্ৰিয়জ প্ৰেমকো মেটাফৰৰ মাজেৰে প্লেটনিক (Platonic) প্ৰেমৰ সৈতে গাঁথি দিছে। শৰীৰ হৈ পৰিছে এটা মাধ্যম। প্ৰকৃতিৰ সৃষ্টি উন্মাদনাৰ স্বৰলিপি কবিতাটোৰ শেষৰ স্তৱকৰ পংক্তিসমূহত স্পষ্ট। গভীৰ কোমল অনুভূতি সাৰ্থকভাৱে ফুটাই তুলিবলৈ কবিয়ে অনুপ্ৰাসৰ আশ্ৰয় লৈছে—

তাৰ পাছত/বই তোমাৰ বুকুলৈ বৰষুণ/হে নামি
বাৰ্ধ/অনাপৰাৰ এই প্ৰাচীন
বৰষুণত ভুমিও তিতা সজবেৰ/খুলিয়/নিশাহত উপচি
উঠিছে তোমাৰ দেহ।

ওপৰৰ পংক্তিকেইটাত বৰ্ণধ্বনিৰ পৌনঃপুনিক অনুৰণনে শব্দৰ যাদুকৰী ৰূপ পৰিস্ফুট কৰি তুলিছে। আন আলেখন কবিতাত বৰ্ণৰ ধ্বনিময়তাই অনুভূতিৰ তীব্ৰতাক ব্যঞ্জিত কৰি শব্দধ্বনিক কৰি তুলিছে হৃদয়স্পৰ্শী। যথা— 'সহস্ৰ সুৰ-সংগমেৰে', 'শিলালেখ, শিল হৈ', 'দূৰলৈ, দূৰৰ পৰা কাষলৈ' ইত্যাদি।

*আলিকেঁকুৰিৰ দেশৰ* কবিতাসমূহৰ মূল সুৰ মানৱতাবাদ। দুখ-দৈন্যই পীড়ি থকা মানুহৰ সৈতে সমব্যথী কবিৰ মানৱতাবোধে জন্ম দিয়া প্ৰতিবাদী সত্তা সমাজৰ সামূহিক চৈতন্যই জন্ম দিয়া।

সত্যৰ সৈতে মুখামুখি হোৱাৰ পাছত 'জগতৰ ধেৰা সহি থকাটো টান'— জানকী বাৰে বাৰে ভোল যাব, মাৰীচে বাৰে বাৰে ছলনা কৰিব, আকৌ এখন ৰামায়ণ হ'ব। কবিৰ প্ৰশ্ন— এয়াই কি আমাৰ ভৱিতব্য? প্ৰশ্নটো সমাজলৈ, সংবেদী হৃদয়লৈ। তাৰ উত্তৰো কবিয়েই দি থৈছে আন এটি কবিতাত ('এটা শতাব্দীৰ পাছত') ঃ

"পোকে কিলবিলাই থকা মগজুতকৈ/ধোলাই হৈ যোৱা মগজু
বহুত ভাল/আমাৰ জন্মস্বত্ব এই মগজু/মৃত্যুৰ সদাগৰক বন্ধকত দিয়াতকৈ/
জীৱনৰ ফেৰিৱালাক দিম বিনামূল্যে।"■

*আলোচকৰ ঠিকনা ঃ সহযোগী অধ্যাপিকা, ইংৰাজী বিভাগ, হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী*

**নতুন গ্ৰন্থৰ বিজ্ঞাপনৰ বাবে**

*সাতসৰীৰ* পৃষ্ঠাত নতুন গ্ৰন্থৰ যথাৱশ্যকীয় তথ্যযুক্ত খবৰ বিজ্ঞাপন হিচাপে প্ৰকাশ কৰা হ'ব। এইক্ষেত্ৰত ইচ্ছুক লেখক-প্ৰকাশকে ৯৮৬৪০-৪৩৬২৯ নম্বৰত যোগাযোগ কৰিব পাৰে।